**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***::::::::::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ বিভিন্ন ঠাইত কালিৰে পৰা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। উজনিৰ পৰা নামনিলৈ মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত মানৱ ৰাসৰ ভক্তিৰস আৰু আধ্যাত্মিকতাই জনসাধাৰণক আপ্লুত কৰিছে। প্ৰতি বছৰে শৰতৰ পূৰ্ণিমাৰ নিশাৰ পৰা বৃন্দাবন, মথুৰাকে ধৰি আন বিভিন্ন স্থানৰ লগতে অসমতো শ্ৰী শ্ৰীকৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা উদযাপন কৰা হৈছে। ৰাস উপলক্ষে সত্ৰনগৰী মাজুলীতো উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। নদীদ্বীপ মাজুলীত কালিৰে পৰা তিনি-চাৰি দিনীয়া কাৰ্যসূচীৰে ৬৫ খন মঞ্চত শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। মাজুলীৰ এই ৰাস উৎসৱত দেশ-বিদেশৰ পৰ্যটকে ভিৰ কৰিছে। জল পৰিবহন বিভাগে যাত্ৰীসকলক সুকলমে মাজুলীলৈ যাব পৰাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মাজুলীৰ ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰত অধিবাস পূজাৰে ৰাস মহোৎসৱৰ মূল পূজা অনুষ্ঠিত হৈছে। সত্ৰখনৰ প্ৰতিষ্ঠা বৰ্ষ সুঁৱৰি ১৮৫ গছি মাটিৰ চাকি প্ৰজ্বলন কৰা হৈছে। ৰাস মহোৎসৱ উপলক্ষে সত্ৰখনত মেলাও অনুষ্ঠিত হৈছে। আউনীআতি সত্ৰতো পালনাম মহোৎসৱৰ লগতে মহাৰাস প্ৰদৰ্শিত হৈছে। উত্তৰ কমলাবাৰী সত্ৰত ৩৫০ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আধ্যাত্মিকভাৱে ৰাস মহোৎসৱ উদযাপন কৰিছে। মুখা শিল্পৰ বাবে বিখ্যাত চামগুৰি সত্ৰত মাংগলিক পৰিৱেশত ৰাসলীলাৰ অভিনয়েৰে ৰাস উৎসৱ আয়োজন কৰা হৈছে। মিচিং জনগোষ্ঠীৰ লোকে মিচিং ভাষাত ৰাসলীলা অনুষ্ঠিত কৰি মাজুলীৰ ৰাস উৎসৱক বৰ্ণিল কৰি তুলিছে। জিলা প্ৰশাসনৰ উদ্যোগত প্ৰতিখন ৰাসমঞ্চ মাটিৰ চাকিৰে উজলাই তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি ৰাস মহোৎসৱ উপলক্ষে জিলা আয়ুক্তই মাজুলীত স্থানীয়  বন্ধৰ ঘোষণা কৰিছে।

০০০০০০০

আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি গোলাঘাট, তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়াত জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা আৰু জাৰ্নেলিষ্ট ইউনিয়ন অব্ আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে প্ৰেছ দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে জিলা আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপে দিনৰ ১১ বজাত সাংবাদিকৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত মূল আলোচনাচক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

একেদৰে গোলাঘাটতো জিলা প্ৰশাসনৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিভাগে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালনৰ দিহা কৰিছে। গোলাঘাট আৰ্বত ভৱনৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বাণী ‘সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ’ শীৰ্ষক এখন আলোচনাচক্ৰৰো আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে ৰাজ্যিক ভিত্তিত বিস্তৃত কাৰ্যসূচী  ৰূপায়ণৰ দিহা কৰিছে। দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু

লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ডং কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁও সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী আৰু সমৃদ্ধ কৰাৰ অভিনৱ পদক্ষেপ গ্ৰহণ কৰে। দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ উদযাপনত ঐতিহাসিক গ্ৰন্থ আন্দোলনৰ অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। দেৰগাঁৱৰ বৃহত্তৰ অঞ্চলটোত ভাষা-সাহিত্য, সংস্কৃতি, ইতিহাস, বৰেণ্য ব্যক্তিৰ জীৱন আৰু কৰ্মৰ মূল্যায়ন, কাব্য গ্ৰন্থ আদিৰ মেটমৰা সম্ভাৰেৰে ২০০ খনৰো অধিক মূল্যবান গ্ৰন্থ উন্মোচন কৰা হয়। তিনিদিনীয়াকৈ আয়োজিত শতবৰ্ষ উদযাপনৰ অনুষ্ঠানত কালি প্ৰথমদিনা বিশিষ্ট লেখিকা, সাহিত্যিক, শিক্ষাবিদ জ্যোতিৰেখা হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম ৰেঞ্চৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

**সমাপ্ত**